# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-06-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
### Headlines
**-------------------**

অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৭ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ ৰাভাই অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজীয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু নলবাৰী জিলা প্ৰশাসনৰ সহযোগত আজি নলবাৰীৰ চৰকাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত বিষ্ণুৰাভা দিৱসৰ কেন্দ্ৰীয় অনুষ্ঠান অনুষ্ঠিত হৈছে। এই দিৱসৰ সৈতে সংগতি ৰাখি কেইবাগৰাকীও খ্যাতনামা ব্যক্তিক ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ বঁটা প্ৰদান কৰা হয়। তিনিটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ড° থানেশ্বৰ শৰ্মালৈ **শ্ৰীশ্ৰীমাধৱদেৱ বঁটা**, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ **কালীচৰণ ব্ৰহ্ম বঁটা** আৰু সিন্দূৰ অভিযানত শ্বহীদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংগাখামলৈ **বীৰ চিলাৰায় বঁটা** আগবঢ়োৱা হৈছে।

একেদৰে চলিত বছৰৰ ৪ টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট চিত্ৰশিল্পী নৰেন্দ্ৰ নাথ দাস আৰু বিশিষ্ট সত্ৰীয়া নৃত্য শিল্পী তথা গৱেষক ড° মল্লিকা কন্দলীলৈ **বিষ্ণু ৰাভা বঁটা** আগবঢ়োৱা হৈছে। সত্ৰীয়া সংস্কৃতিৰ বিশিষ্ট সাধক সোনাৰাম শৰ্মা বুঢ়াভকতলৈ **শোণিতকোঁৱৰ গজেন বৰুৱা বঁটা** আৰু বিশিষ্ট শিক্ষাসেৱী তথা সমাজসেৱক যজ্ঞেশ্বৰ চেতিয়ালৈ **স্বৰ্গদেউ সৰ্বানন্দ সিংহ বঁটা** আগবঢ়োৱা হৈছে।

ৰাভা দিৱস উপলক্ষে আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, শোণিতপুৰ জিলা আৰু তেজপুৰ নগৰ শাখাৰ উদ্যোগত জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। তেজপুৰৰ দৰং মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত এহেজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। তেজপুৰত থকা কলাগুৰুৰ সমাধিক্ষেত্ৰতো ৰাভা দিৱস পালন কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক তথা কলাগুৰুৰ পুত্ৰ পৃথ্বিৰাজ ৰাভা উপস্থিত থাকে।

বিষ্ণু ৰাভা দিৱস উপলক্ষে আজি সাংসদ ৰনগৌড়া নাৰ্জাৰীয়ে চিৰাং জিলাৰ সদৰ কাজলগাঁৱৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত স্থাপন কৰা কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা ৰংগমঞ্চ মুকলি কৰে। জিলা প্ৰশাসন আৰু চিৰাঙৰ মহিলা আৰু শিশু কল্যাণ বিভাগৰ সহযোগত উদযাপন কৰা এই দিৱসত ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ, চিত্ৰাংকন আৰু ৰাভা সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু ৰাভা মহিলা পৰিষদৰ উদ্যোগত বৰমোহৰা মধ্য ইংৰাজী বিদ্যালয়ৰ খেলপথাৰত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হয়। গোৱালপাৰা মহাবিদ্যালয়, নটসূৰ্য ফণী শৰ্মা ভৱনতো আজি এই উপলক্ষে কবিতা আবৃত্তি, চিত্ৰাংকন প্ৰতিযোগিতা, মুকলি সভা আদি অনুষ্ঠিত হয়।

গুৱাহাটীত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ উদ্যোগত কলাক্ষেত্ৰ প্ৰাংগনত কলাগুৰু বিষ্ণু ৰাভাৰ স্মৃতিত এটা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কলাক্ষেত্ৰৰ কৰ্মচাৰীসকলে এটা ৰাভা সংগীত একেলগে পৰিৱেশন কৰে। কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে বিষ্ণু ৰাভাৰ বিপ্লৱী দৰ্শন, শিল্প সাধনা আৰু বৃহত্তৰ অসমীয়া সমাজৰ প্ৰতি তেওঁৰ অমূল্য অৱদানৰ দিশত আলোকপাত কৰে।

০০০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সদৌ অসম যোগ ক্ৰীড়া সংস্থাৰ উপ-সভাপতি, যোগবিদ হৰিপ্ৰসাদ তালুকদাৰ আৰু যোগ প্ৰশিক্ষক হিমাদ্ৰী নাথ কটকীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টী ৰাণী ডেকাই। অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী ব্যক্তিসকলে ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰি সমল ব্যক্তি দুগৰাকীৰ সৈতে যোগ সম্পৰ্কীয় বিভিন্ন প্ৰশ্নৰ উত্তৰ বিচাৰিব পাৰিব।

০০০০০

শ্ৰীভূমি জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি জিলাখনৰ অভিভাৱক মন্ত্ৰী কৌশিক ৰায়ৰ সভাপতিত্বত জিলাখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প সন্দৰ্ভত এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত অৰুণোদয়, চাহ বাগিছাৰ শ্ৰমিকৰ বাবে এটি কলি দুটি পাত, মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম-২.০ আদি  জিলাখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ ৰূপায়ন আৰু অগ্ৰগতি সন্দৰ্ভত আলোচনা কৰা হয়। সভাত জিলাখনত প্ৰশাসনীয় অগ্ৰগতিৰ লগতে চলি থকা কল্যানমূলক পদক্ষেপসমূহ শক্তিশালী কৰাৰ বাবে ভৱিষ্যতৰ কৌশলসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। আজিৰ পৰ্যালোচনা বৈঠকত ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ মিছন ৰঞ্জন দাস, শ্ৰীভূমি জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত, শ্ৰীভূমি পৌৰসভাৰ অধ্যক্ষ, জিলা বিজেপিৰ সভাপতি, সহকাৰী আয়ুক্ত, নিৰ্বাচন বিষয়াৰ লগতে জিলাখনৰ ব্লক তথা বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

বজালীৰ কৃষকসকলক অনুপ্ৰাণিত কৰাৰ লগতে কৃষিকাৰ্যত সহায়ক হোৱাকৈ আজি বজালীত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ধানৰ বীজ আৰু কৃষি সজুলি বিতৰণ কৰে। বজালীৰ কৃষকৰ বাবে মুঠ ৩ হাজাৰ কিলোগ্ৰাম ধানৰ বীজ আৰু ২১৯ বিধ কৃষি সজুলি বিতৰণ কৰে। মন্ত্ৰী শ্ৰীদাসে বজালীয়ে দুগ্ধ উৎপাদনৰ ক্ষেত্ৰত স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰাৰ লগতে অৰ্থনীতিলৈও অৰিহণা আগবঢ়াইছে। একেদৰে জিলাখনৰ কৃষকসকলে ধান ছপোৱাৰ পিছতে প্ৰচুৰ পৰিমাণৰ সৰিয়হৰ খেতিৰে খোৰাতেল উৎপাদন কৰি দেশৰ অৰ্থনীতিলৈ অৰিহণা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

সমাপ্ত